# অসম বিধান সভা

## লিখিত উত্তৰৰ বাবে প্ৰশ্নসমূহৰ তালিকা

## শুক্ৰবাৰ, ১০ জুলাই, ২০২৬

ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা, বিজ্ঞান, প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্ত্তন, সাধাৰণ প্ৰশাসন, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, চিকিৎসা শিক্ষা আৰু গৱেষণা, পৰিবহণ, বড়োলেণ্ড কল্যাণ।

---

প্ৰশ্নসমূহৰ মুঠ সংখ্যা - ৫০

*বিষয় ঃ* ভূমিপট্টা প্ৰদান আৰু প্ৰাকৃতিক দুৰ্য্যোগত ক্ষতিগ্ৰস্ত সন্দৰ্ভত।

শ্ৰীমেহবুব মোক্তাৰ ঃ

২০১। মাননীয় ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধিং সমষ্টিত ২০২১ চনৰ পৰা বৰ্তমানলৈ কিমানটা ভূমিপট্টা প্ৰদান কৰা হৈছে আৰু কিমান আবেদন এতিয়াও নিষ্পত্তিৰ অপেক্ষাত আছে?

(খ) ধিং সমষ্টিৰ চৰ-চাপৰি আৰু খাচ মাটিত বাস কৰা ভূমিহীন পৰিয়ালসমূহক ভূমিৰ অধিকাৰ প্ৰদানৰ বাবে চৰকাৰে কি পদক্ষেপ গ্ৰহণ কৰিছে?

(গ) সমষ্টিটোৰ খহনীয়াৰ ফলত ভূমি হেৰুৱা পৰিয়ালসমূহৰ পুনৰ সংস্থাপনৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

(ঘ) বিগত পাঁচ বছৰত ধিং সমষ্টিত বানপানী, নদীৰ খহনীয়া আৰু অন্যান্য প্ৰাকৃতিক দুৰ্য্যোগত ক্ষতিগ্ৰস্ত পৰিয়ালক কিমান সাহাৰ্য্য আৰু ক্ষতিপূৰণ প্ৰদান কৰা হৈছে?

(ঙ) ধিং সমষ্টিত ডিজিটেল ভূমি অভিলেখ প্ৰস্তুতকৰণ আৰু আপডেটৰ অগ্ৰগতি কি?

*বিষয় ঃ* **জীয়াকুৰ ৰিজাৰ্ভ আদৰ্শ চিকিৎসালয় অভাৱ পূৰণ আৰু কিডনী ডায়েলাইছিছ কেন্দ্ৰটোত অতিৰিক্ত বিচনা বঢ়োৱাৰ সম্পৰ্কে।**

শ্ৰীহিমাংশু শেখৰ বৈশ্য ঃ

২০২। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) পলাশবাৰী সমষ্টিৰ অন্তৰ্গত জীয়াকুৰ অঞ্চলৰ জীয়াকুৰ ৰিজাৰ্ভ আদৰ্শ চিকিৎসালয়ত বহুত দিনৰ পৰা ডাক্তৰ আৰু পৰ্য্যাপ্ত পৰিমাণৰ সা-সঁজুলিৰ অভাৱ হৈ আছে। এই আদৰ্শ চিকিৎসালয়ৰ অসুবিধাসমূহ দূৰ কৰিবলৈ চৰকাৰে কিবা ব্যৱস্থা কৰিব নেকি? সদনত জনাব।

(খ) কিডনী ডায়েলাইছিছ কেন্দ্ৰটো উপৰহালি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ লগত একেলগে সংলগ্ন হৈ আছে। ডায়েলাইছিছ কেন্দ্ৰটোত মাত্ৰ তিনিখন বিচনা আছে। উক্ত ডায়েলাইছিছ কেন্দ্ৰটোত আৰু অতিৰিক্ত বিচনা বঢ়োৱাৰ ব্যৱস্থা গ্ৰহণ কৰিব নেকি?

*বিষয় ঃ* **নতুন বাছ সেৱা সম্পৰ্কে**

ডাঃ আচিফ মঃ নাজাৰ ঃ

২০৩। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) পৰিবহন বিভাগৰ অধীনত ২০২৫-২৬ বৰ্ষত আৰম্ভ কৰা নতুন বাছ সেৱা, বৈদ্যুতিক বাছ আৰু অন্যান্য গণ পৰিবহন প্ৰকল্পসমূহৰ বিৱৰণ তথ্য ইয়াৰ দ্বাৰা সামৰি লোৱা জিলাসমূহৰ নাম সদনত দাখিল কৰিব।

(খ) ৰাজ্যত কিমানখন গ্ৰীণ বাছ বৰ্তমানে চলি আছে? এই বাছসমূহৰ ক্ৰয়ৰ বাবদ চৰকাৰে কিমান টকা ব্যয় কৰিছে? কোন প্ৰতিষ্ঠানক এই বাছসমূহ যোগানৰ ঠিকা প্ৰদান কৰা হৈছে? ঠিকা প্ৰদানৰ সময়ত নিবিদা গ্ৰহণ কৰা হৈছিলনে? কোন কোন প্ৰতিষ্ঠানে নিবিদাত ভাগ লৈছিল? নিবিদাৰ প্ৰতিলিপি সহ তথ্য দিব।

(গ) উক্ত বাছসমূহ পৰিচালনাত প্ৰতি মাহে কিমান টকা ব্যয় হয়? বাছসমূহ পৰিচালনা বিভাগে নিজে কৰে নে অন্য কোনো প্ৰতিষ্ঠানক ঠিকা প্ৰদান কৰিছে?

*বিষয় ঃ* **আয়ুষ্মান কাৰ্ডৰ সন্দৰ্ভত**

মোঃ নুৰুল হুদা ঃ

২০৪। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) আয়ুষ্মান ভাৰতৰ জৰিয়তে ২০২৫-২৬ বিত্তীয় বৰ্ষত কিমানজন হিতাধীকাৰী উপকৃত হৈছে? জিলাভিত্তিক হিচাপ সদনত দাখিল কৰিব।

(খ) ৰেচন কাৰ্ডত নাম নাথাকিলে আয়ুষ্মান ভাৰতৰ জৰিয়তে চিকিৎসা পোৱাৰ সুবিধা আছেনে? যদি আছে, বিতংকৈ জনাব।

(গ) কোন কোন ব্যক্তিগত চিকিৎসালয়ত আয়ুষ্মান ভাৰতৰ যোগেদি ৰোগীসকলক সেৱা আগবঢ়োৱা হয়, তাৰ তালিকা সহ সদনত দাখিল কৰিব।

*বিষয় ঃ* **কাটিগড়া বিধানসভা সমষ্টির অন্তর্গত বিহারা ম'ডেল হাস্পাতাল এবং জালালপুর BPHC সম্পর্কিত।**

শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ঃ

২০৫। মাননীয় স্বাস্থ্য ও পরিয়াল কল্যাণ বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) কাটিগড়া বিধানসভা সমষ্টির অন্তর্গত বিহারা ম'ডেল হাস্পাতাল এবং জালালপুর

BPHC কবে উদ্বোধন করা হয়েছিল? উক্ত দুইটি হাসপাতালের বর্তমান অনুমোদিত ষ্টাফ ষ্ট্রেংথ কত এবং বর্তমানে কর্মরত স্টাফ সংখ্যা ক'ত? এই দুইটি হাস্পাতালের বিভাগভিত্তিক বিস্তারিত তথ্য সদনে প্রদান করার অনুরোধ রইল।

(খ) উক্ত দুইটি হাস্পাতালের জন্য প্রয়োজনীয় জনবল কত এবং বর্তমানে কতটি পদ শূন্য রয়েছে? এই শূন্য পদসমূহ সম্পর্কে সরকার অবগত কি? যদি অবগত, তবে কবে নাগাদ এই শূন্য পদগুলি পূরণ করা হবে?

(গ) উক্ত হাস্পাতাল দুটোর অবকাঠামোগত কাজ সম্পূর্ণ হয়েছে কি? যদি না হয়ে থাকে, তবে এখনও কি কি অবকাঠামোগত সুবিধার প্রয়োজন রয়েছে এবং সেগুলি পুরণের জন্য সরকারের কি পরিকল্পনা রয়েছে?

(ঘ) উক্ত দুইটি হাস্পাতালে যতজন চিকিৎসক নিয়োগ ও পোস্টিং দেওয়া হয়েছিল, তাদের মধ্যে বর্তমানে কতজন নিজ কর্মস্থলে কর্মরত আছেন এবং কতজনকে অন্য হাস্পাতাল বা স্বাস্থ্য প্রতিষ্ঠানে আটাচমেন্ট/ডেপুটেশনে পাঠানো হয়েছে এবং তাদের পুনরায় নিজ কর্মস্থলে ফিরিয়ে আনার জন্য সরকার কি ব্যৱস্থা গ্রহণ করেছে? এই দুইটি হাসপাতালভিত্তিক বিস্তারিত তথ্য সদনে প্রদান করার অনুরোধ রইল।

*Sub.* : **Government Land-reg.**

Shri VIJAY KR. GUPTA :

206. Will the Minister of Revenue & Disaster Management Department be pleased to state :

(a) Whether the Government will furnish details regarding how much Government land including VGR/PGR/ Forest land are available in 36, Central Guwahati, LAC ? Please state category wise area.

(b) Whether any Government land in Central Guwahati is under encroachment ? If so, please submit the site with details if any ?

*বিষয় ঃ* **গৰাখহনীয়াত গৃহহীন হোৱা পৰিয়ালৰ সাহার্য্য আৰু পুনৰ সংস্থাপন।**

শ্ৰীমতী বেবী বেগম ঃ

২০৭। মাননীয় ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিগত দহটা বছৰত অসমৰ বিভিন্ন জিলাত ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈসমূহৰ গৰাখহনীয়াই কৰা ক্ষতিগ্ৰস্ত ভূমি আৰু পৰিয়ালৰ সংখ্যা কিমান? বৰ্ষভিত্তিত আৰু জিলাভিত্তিত বিস্তৃত তালিকা দাখিল কৰিব।

(খ) উক্ত সময়ছোৱাত সৰ্বমুঠ কিমান ভূমি গৰাখহনীয়াৰ ফলত জাহ গৈছে? ইয়াৰ ফলত ক্ষতিগ্ৰস্ত পৰিয়ালৰ মুঠ সংখ্যা কিমান? বৰ্ষ ভিত্তিত বিস্তৃত তালিকা দাখিল কৰিব।

(গ) উক্ত সময়ছোৱাত গৰাখহনীয়াত নিজৰ ভেটি-মাটিৰ পৰা উচ্ছেদিত মুঠ পৰিয়ালৰ সংখ্যা কিমান? উক্ত পৰিয়ালবোৰক কি ধৰণে সাহার্য্য আৰু পুনৰ সংস্থাপন দিয়া হৈছে? বৰ্ষভিত্তিত তথা জিলাভিত্তিক বিস্তৃত তালিকা দাখিল কৰিব।

(ঘ) গৰাখহনীয়াত গৃহহীন হোৱা পৰিয়ালবোৰৰ ভিতৰত কিমানজনক নিজৰ ভেটি-মাটিৰ পৰা উচ্ছেদিত হোৱাৰ প্ৰমাণ পত্ৰ দিয়া হৈছে? উচ্ছেদিত লোকৰ ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে? তথ্যসহ দিব।

*বিষয় ঃ* **স্বাস্থ্য অনুষ্ঠান (Health Unit) আৰু স্বাস্থ্য বিষয়া, কৰ্মচাৰীৰ সম্পৰ্কে।**

শ্ৰীওৱাজেদ আলী চৌধুৰী ঃ

২০৮। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত কিমানটা উপ-স্বাস্থ্যকেন্দ্ৰ, উন্নীত উপ-স্বাস্থ্যকেন্দ্ৰ, ৰাজ্যিক চিকিৎসালয়, ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ, প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ, সমূহীয়া স্বাস্থ্য কেন্দ্ৰ, এশখন বিছনাযুক্ত হস্পিতাল, দুশখন বিছনাযুক্ত হস্পিতাল, মেডিকেল কলেজ আছে? জিলাভিত্তিক তথ্য দিব।

(খ) চাহ জনজাতি বসতি প্ৰধান অঞ্চল আৰু চৰাঞ্চলত অৱস্থিত সকলো প্ৰকাৰৰ স্বাস্থ্য সেৱা অনুষ্ঠান (Health Unit) ৰ নাম, মঞ্জুৰীকৃত স্বাস্থ্য বিষয়া-কৰ্মচাৰীৰ পদৰ সংখ্যা, বৰ্তমান পূৰণ আৰু খালী হৈ থকা পদবীৰ বিষয়ে প্ৰতিটো স্বাস্থ্য অনুষ্ঠান (Health Unit) সাপেক্ষে বিতং তথ্য দিব।

(গ) জনসংখ্যাৰ বৃদ্ধিৰ হাৰ অধিক থকা অঞ্চলসমূহত চৰকাৰে পৰিয়াল পৰিকল্পনাৰ বাবে কোনো বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে নেকি? যদি কৰিছে, কি কি জনাব আৰু যদি কৰা নাই, কেতিয়ালৈ কৰিব?

*বিষয় ঃ* **গৰাখহনীয়া সন্দৰ্ভত**

শ্ৰীআব্দুৰ ৰহিম আহমেদ ঃ

২০৯। মাননীয় ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত ২০১৬ চনৰ পৰা বৰ্তমানলৈকে কিমান হেক্টৰ/বিঘা ভূমি গৰাখহনীয়াৰ ফলত নদীৰ বুকুত জাহ গৈছে?

(খ) এই গৰাখহনীয়াৰ ফলত কিমান সংখ্যক গাঁও সম্পূৰ্ণৰূপে আৰু আংশিকভাৱে নদীত জাহ গৈছে আৰু কিমান সংখ্যক লোক স্থানান্তৰিত হৈছে?

(গ) ২০১৬ চনৰ পৰা বৰ্তমানলৈকে কিমান হেক্টৰ/বিঘা কৃষি ভূমি আৰু কিমান হেক্টৰ/বিঘা ভূমি ঘৰ-বাৰী সম্পূৰ্ণ নদীৰ বুকুত জাহ গৈছে? ইয়াৰ ফলত কিমান সংখ্যক পৰিয়াল সম্পূৰ্ণৰূপে আৰু কিমান সংখ্যক পৰিয়াল আংশিকভাৱে ক্ষতিগ্ৰস্ত হৈছে?

(ঘ) এই ক্ষতিগ্ৰস্ত পৰিয়ালসমূহৰ কিমান সংখ্যক পৰিয়ালে পুনৰ সংস্থাপনৰ বাবে আৰ্থিক অনুদান লাভ কৰিছে আৰু কিমান সংখ্যক পৰিয়ালে আৰ্থিক অনুদান লাভ কৰা নাই, তাৰ বিতং তথ্য জিলাভিত্তিত তালিকাসহ সদনত দাখিল কৰিব।

(ঙ) এই ক্ষতিগ্ৰস্ত পৰিয়ালসমূহক স্থানান্তৰিত হোৱাৰ প্ৰমাণ পত্ৰ বিভাগে জাৰি কৰিছেনে? যদি কৰা নাই, তেন্তে কেতিয়া কৰিব?

*বিষয় ঃ* **স্বাস্থ্যকেন্দ্ৰ সম্পৰ্কে**

শ্ৰীজাকিৰ হুছেইন সিকদাৰ ঃ

২১০। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত কিমানখন প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আছে তথ্য দিব।

(খ) এই স্বাস্থ্য কেন্দ্ৰসমূহত কোন কোন প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰত কিমান পদ খালী আছে তথ্য দিব। এই পদসমূহ কেতিয়া বিভাগে পূৰণ কৰিব জনাব।

(গ) অসমত নতুন প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ স্থাপন কৰাৰ পৰিকল্পনা আছে নেকি? যদি আছে ক'ত ক'ত স্থাপন কৰা হ'ব সেইবিষয়ে বিতংভাৱে জনাব।

(ঘ) অসমত কেইখন আদৰ্শ চিকিৎসালয় আছে জনাব। এই চিকিৎসালয়সমূহত কি কি পদ খালী আছে তালিকা দিব। খালী পদসমূহ কেতিয়া বিভাগে পূৰণ কৰিব জনাব।

(ঙ) পাকা বেতবাৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত চৰকাৰী চিকিৎসালয়, প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ (PHC), উপ-স্বাস্থ্যকেন্দ্ৰ (Sub-Centre) আৰু সামূহিক স্বাস্থ্যকেন্দ্ৰ (CHC) সমূহত চিকিৎসক, নাৰ্চ আৰু স্বাস্থ্যকৰ্মীৰ অনুমোদিত আৰু বৰ্তমান কৰ্মৰত পদৰ সংখ্যা কিমান? ইয়াৰ ক'ত ক'ত খালী পদ আছে, তাৰ তালিকা দিব। খালী পদসমূহ কেতিয়া বিভাগে পূৰণ কৰিব জনাব।

(চ) পাকা বেতবাৰী সমষ্টিত প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ, উপ-স্বাস্থ্যকেন্দ্ৰৰ আন্তঃগাঁথনি কেনেকুৱা পৰ্য্যায়ত আছে? আন্তঃগাঁথনি জৰাজীৰ্ণ থকা কেন্দ্ৰসমূহৰ কেতিয়া আন্তঃগাঁথনি ঠিক কৰিব জনাব।

(ছ) পাকা বেতবাৰী সমষ্টিৰ ভক্তৰডবা আৰু মাজগাঁও আদৰ্শ চিকিৎসালয়ত বৰ্তমান চিকিৎসক কৰ্মচাৰী কোন কোন আছে তালিকা দিব। ইয়াত থকা খালী পদসমূহ কেতিয়া বিভাগে পূৰণ কৰিব সেই বিষয়ে জনাব।

*Sub.* : **Status of River Block Land of Mankachar.**

Md. MOHIBUR ROHMAN :

211. Will the Minister of Revenue & Disaster Management Department be pleased to state:

(a) The total area of land classified as River Block in South Salmara, Seboltary and Baladoba Gaon Panchayats under Mankachar Constituency (village-wise).

(b) Kindly furnish the village-wise details of usable and inhabited land in the aforesaid Gaon Panchayats that do not fall under the River Block category.

(c) Whether the Government is aware that the classification of large areas under South Salmara, Seboltary and Baladoba Gaon Panchayats as River Block has created difficulties relating to land records, land rights, revenue administration and developmental activities.

(d) Whether any survey, ground verification, or re-assessment has been conducted to determine the present status of land and habitation in these areas ? If so, the details thereof.

(e) Whether the Government has any proposal to reclassify eligible River Block areas under South Salmara, Seboltary and Baladoba Gaon Panchayats as Normal Land ? If so, the details and tentative timeline thereof.

(f) What steps have been taken by the Government to address the grievances of residents affected by the existing River Block classification.

*বিষয় ঃ* **মিছন বসুন্ধৰা আৰু ভূমিহীনৰ মৰ্মবেদনা**

শ্ৰীঅখিল গগৈ ঃ

২১২। মাননীয় ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) 'মিছন বসুন্ধৰা'ৰ অধীনত বৰ্তমানলৈকে অসমৰ কিমান পৰিয়ালক ভূমি আৱণ্টন আৰু পট্টা দিয়া হৈছে? তাৰ জিলা

ভিত্তিক তথ্য কি? ৰাজ্যখনৰ বৰ্তমান মুঠ ভূমিহীন পৰিয়ালৰ সংখ্যা আৰু ইয়াৰ ভিতৰত ক্ৰমে মথাউৰি, বনাঞ্চল, চৰকাৰী ভূমি, গ্ৰেজিং লেণ্ড (VGR/PGR), পট্টাবিহীন চৰ-চাপৰি, অনা-জৰীপকৃত অঞ্চল আৰু সত্ৰৰ মাটিত বসবাস কৰি থকা পৰিয়ালৰ সুনিৰ্দিষ্ট সংখ্যা কিমান? তেওঁলোকক কেতিয়াৰ ভিতৰত চৰকাৰী ভূ-পট্টা প্ৰদান কৰা হ'ব?

(খ) অসমৰ নদী খহনীয়াত গৃহহীন হোৱা পৰিয়ালৰ চৰকাৰী পৰিসংখ্যা কিমান? তেওঁলোকৰ স্থায়ী পুনঃসংস্থাপন কেতিয়া সম্পূৰ্ণ হ'ব।

(গ) বান-খহনীয়াক ৰাষ্ট্ৰীয় দুৰ্যোগ ঘোষণা কৰিবলৈ আৰু ক্ষতিপূৰণ বৃদ্ধিৰ বাবে বিভাগে কি ব্যৱস্থা লৈছে?

*বিষয় ঃ* **চৰকাৰী ভূমি বেদখল**

শ্ৰীপ্ৰকাশ চন্দ্ৰ দাস ঃ

২১৩। মাননীয় ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) হাজো আৰু শুৱালকুছি সমষ্টিত বৰ্তমান কিমান বিঘা চৰকাৰী ভূমি বেদখল হৈ আছে?

(খ) বৰ্তমানলৈ কিমান বিঘা ভূমি বেদখলমুক্ত কৰা হৈছে আৰু বেদখলকৃত ভূমি মুক্ত কৰাৰ বাবে আগন্তুক কি কি পদক্ষেপ গ্ৰহণ কৰিছে?

(গ) বিগত ২০ বছৰত ৰাজ্যখনত কিমান হেক্টৰ চৰকাৰী ভূমি বেদখলৰ আওঁতাত আহিছে?

(ঘ) কিমান ভূমি উদ্ধাৰ কৰা হৈছে আৰু কোন জিলাত সৰ্বাধিক বেদখলৰ ঘটনা পোহৰলৈ আহিছে? বাৰ্ষিক হিচাপত তথ্য দাখিল কৰিব।

*বিষয় ঃ* **বান আৰু গৰাখহনীয়াত ক্ষতিগ্ৰস্ত পৰিয়ালক ক্ষতিপূৰণ প্ৰদান সম্পৰ্কে।**

ড° তপন দাস ঃ

২১৪। মাননীয় ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বান আৰু গৰাখহনীয়াত ক্ষতিগ্ৰস্ত পৰিয়ালসমূহক ক্ষতিপূৰণ প্ৰদানৰ বৰ্তমান অৱস্থা কি?

(খ) মিছন বসুন্ধৰা আঁচনিৰ অধীনত ডিমৰীয়া সমষ্টিৰ আবেদনসমূহ নিষ্পত্তিৰ অগ্ৰগতি কি?

(গ) পট্টাবিহীন খিলঞ্জীয়া অৰ্থনৈতিকভাৱে দুৰ্বল লোকৰ ঘৰত জুই লাগিলে বা হাতীয়ে মানুহ মাৰিলে ক্ষতিপূৰণ দিয়াৰ ক্ষেত্ৰত চৰকাৰৰ কিবা ব্যৱস্থা আছে নেকি?

*বিষয় ঃ* **চিকিৎসালয়ৰ আন্তঃগাঁথনি সম্পৰ্কে**

শ্ৰীআফতাব উদ্দিন মোল্লা ঃ

২১৫। মাননীয় স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) জলেশ্বৰ সমষ্টিত প্ৰায়বোৰ চিকিৎসালয়ত বিশেষকৈ Jaleswar Model Hospital আৰু Aambari Bazar Model Hospital আৰু Dhumerghat State Dispenceryত পৰ্য্যাপ্ত সংখ্যক চিকিৎসকৰ লগতে নাৰ্চও নাই। যাৰ ফলত সাধাৰণ ৰাইজ বহুতো অসুবিধাত পৰিছে। সেই অসুবিধাবোৰ দূৰ কৰিবলৈ চৰকাৰে কিবা ব্যৱস্থা হাতত লৈছেনে? যদি লৈছে, জনাব।

(খ) এই প্ৰায়বোৰ চিকিৎসালয়ত উপযুক্তভাৱে আন্তঃগাঁথনি নাই আৰু সেই চিকিৎসালয়বোৰত আন্তঃগাঁথনিৰ সু-ব্যৱস্থা চৰকাৰে কৰিবনে? যদি কৰে, কেতিয়ালৈ কৰিব সদনত জনাব।

*বিষয় ঃ* **Shortage of Skilled staffs and Doctors, medicines and equipments.**

শ্ৰীকিশোর নাথ ঃ

২১৬। মাননীয় স্বাস্থ্য এবং পরিয়াল কল্যাণ বিভাগের মন্ত্ৰী মহোদয় অনুগ্ৰহ করিয়া জানাবেন কি ঃ

(ক) ১১৭ নং বড়খলা বিধান সভা সমষ্টির অন্তৰ্গত ছোট দুধপাতিল ম'ডেল হাস্পাতাল এবং চিবিটা-বিছিয়া ম'ডেল হাস্পাতালে চিকিৎসক, জি এন এম, নাৰ্সিং ষ্টাফ ও প্ৰয়োজনীয় ঔষধের ঘাটতির বিষয়ে সরকার অবগত কি?

(খ) উক্ত হাস্পাতাল দুটিতে বৰ্তমানে অনুমোদিত ও কৰ্মরত চিকিৎসক, জি এন এম এবং অন্যান্য স্বাস্থ্যকৰ্মীর সংখ্যা ক'ত?

(গ) হাস্পাতাল দুটিতে দীৰ্ঘদিন ধরে জনসাধারণের অভিযোগ থাকা সত্বেও পূৰ্ণাঙ্গ স্বাস্থ্যসেবা নিশ্চিত করার জন্য সরকার কী কী পদক্ষেপ গ্ৰহণ করছে?

(ঘ) প্ৰকৃত অৰ্থে 'ম'ডেল হাস্পাতাল' হিসেবে গড়ে তোলার লক্ষ্যে সকল প্ৰয়োজনীয় জনবল, আধুনিক চিকিৎসা সরঞ্জাম ও ঔষধ সরবরাহের জন্য সরকারের কোনো নিৰ্দিষ্ট পরিকল্পনা করেছে কি?

(ঙ) যদি থাকে, তবে কবে নাগাদ বড়খলা সমষ্টির জনগণ উক্ত দুই ম'ডেল হাস্পাতালের সকল সুবিধা সম্পূৰ্ণরূপে লাভ করতে পারবেন?

*বিষয় ঃ* **চিকিৎসালয় সম্পৰ্কে**

শ্ৰীবিকান চন্দ্ৰ ডেকা ঃ

২১৭। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) টংলা ম'ডেল চিকিৎসালয় প্ৰকল্পৰ ভৌতিক আৰু আৰ্থিক অগ্ৰগতি কি আৰু সম্পূৰ্ণ হোৱাৰ সম্ভাব্য তাৰিখ কেতিয়া জনাব।

(খ) টংলা চিকিৎসালয় আৰু কলাইগাঁও ম'ডেল চিকিৎসালয়ৰ চিকিৎসক, নাৰ্চ আৰু আন কৰ্মচাৰীৰ অনুমোদিত সংখ্যা, খালী পদ আৰু বৰ্তমান অৱস্থা কি আৰু খালী পদ পূৰণৰ বাবে কি পদক্ষেপ লোৱা হৈছে? জনাব।

(গ) পানেৰি চিকিৎসালয় স্থানান্তৰ, উন্নীতকৰণ বা উন্নয়নৰ বাবে কোনো প্ৰস্তাৱ আছে নেকি? যদি আছে, তেন্তে তাৰ বিৱৰণ দিব।

*Sub.* : **Salbari Circuit House**

Shri THANESWAR BASUMATARY :

218. Will the Minister of General Administration Department be pleased to state :

(a) Whether the Circuit House of Salbari Sub-Division is functional or not?

(b) If not then why? Kindly furnish details.

*বিষয় ঃ* **সত্ৰভূমি, কৃষিভূমি, ৰিজাৰ্ভ, বন্যভূমি আৰু আদ্ৰভূমি বেদখলমুক্ত আৰু সংৰক্ষণ।**

শ্ৰীদীপক কুমাৰ দাস ঃ

২১৯। মাননীয় ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰপেটা সমষ্টিত চাৰি গুৰু আৰু আতা-ঠাকুৰসকলে প্ৰতিষ্ঠা কৰা ঐতিহ্যপূৰ্ণ সত্ৰ আৰু থানসমূহৰ ভূমি আৰু খিলঞ্জীয়া ভূমিপুত্ৰৰ কৃষিভূমি সংৰক্ষণ তথা বেদখলমুক্ত কৰি চৰকাৰে ৰাজহ সংগ্ৰহৰ বাবে উপযুক্ত ব্যৱস্থাৰ হেতু পৰিকল্পনা কৰিছে নেকি? জনাব।

(খ) বৰপেটা সমষ্টিৰ অন্তৰ্গত বিভিন্ন ৰিজাৰ্ভ, বন্যভূমি আৰু আদ্ৰভূমি (Wetland) সমূহ অচিনাকী লোকসকলৰ দ্বাৰা বহুদিন ধৰি বেদখল হৈ আছে। এনেক্ষেত্ৰত সেই ভূমিসমূহ বেদখলমুক্ত কৰি প্ৰাকৃতিক ভাৰসাম্য ৰক্ষা কৰাৰ স্বাৰ্থত কোনো বিশেষ আঁচনি গ্ৰহণ কৰা হৈছে নেকি? জনাব।

*বিষয় ঃ* **ৰাজহ চক্ৰ গঠন সম্পৰ্কে**

শ্ৰীভবেশ কলিতা ঃ

২২০। মাননীয় ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ৰাজহ বিভাগে নতুনকৈ ৰাজহ চক্ৰ (RC) গঠন কৰাৰ বাবে পৰিকল্পনা হাতত লৈছে নে? যদি লৈছে, কেতিয়াৰ পৰা নতুন ৰাজহ চক্ৰ গঠন কৰিব? জনাব।

*বিষয় ঃ* **খালী পদ/আবণ্টিত ধন**

শ্ৰীতাঞ্জিল হুছেইন ঃ

২২১। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৫৮ নং চামগুৰি বিধান সভা সমষ্টিৰ অন্তৰ্গত বিভিন্ন পৰ্য্যায়ৰ চিকিৎসালয়সমূহত খালী হৈ থকা পদৰ সংখ্যা কিমান? (পদ অনুযায়ী খালী পদৰ সংখ্যা, চিকিৎসালয়ৰ নামসহ বিস্তাৰিত তথ্য সদনত দাখিল কৰিব।)

(খ) উক্ত সমষ্টিত ২০২১-২২ বিত্তীয় বৰ্ষৰ পৰা বৰ্তমানলৈকে চিকিৎসালয় সমূহৰ আন্তঃগাঁথনি, সা-সৰঞ্জামৰ বাবে কি কি পৰ্য্যায়ত, কিমান টকা বিভাগ বা চৰকাৰে অনুদান দিছে? (ধনৰ পৰিমাণ সহ বিস্তাৰিত তথ্য সদনৰ মজিয়াত দাখিল কৰিব।)

*বিষয় ঃ* **ভূমি পট্টা প্ৰদান আৰু প্ৰাকৃতিক দুৰ্যোগত ক্ষতিগ্ৰস্থ সন্দৰ্ভত।**

শ্ৰীমেহবুব মোক্তাৰ ঃ

২২২। মাননীয় বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যা আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যা আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ অধীনত ধিং সমষ্টিত চলি থকা অনুমোদিত প্ৰকল্পসমূহৰ তালিকা ব্যয় আৰু অগ্ৰগতি কি?

(খ) সমষ্টিটোৰ বিদ্যালয়সমূহত বিজ্ঞান, প্ৰযুক্তি, অভিযান্ত্ৰিক, গণিত শিক্ষা শক্তিশালী কৰাৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

(গ) এই বিভাগটোৰ অধীনত ধিং সমষ্টিৰ যুৱক-যুৱতীসকলৰ বাবে উদ্ভাৱনা বা ষ্টাৰ্টআপ সহায়ক কোনো আঁচনি আছে নেকি? সবিশেষ জনাব।

*Sub.* : **Operational Buses**

M. BADRUDDIN AJMAL :

223. Will the Minister of Transport Department be pleased to state :

(a) How many Buses, Night Supers, Mini Buses and other vehicles are running under ASTC in the State of Assam.

(b) Kindly state the total nos. of employees under the Transport Department in Assam ? (Please furnish the list of catagories of posts, both permanent and temporary with nos. of employees against each post.)

(c) What was total revenue earning in the financial year 2025-26 and what was the total expenditure including for the salary of the Employees ?

(d) How many posts of Master Roll employees have been regularized and how many posts are yet to be regularised ?

*বিষয় ঃ* খালী পদ সম্পৰ্কে

ডাঃ আচিফ মঃ নাজাৰ ঃ

২২৪। মাননীয় চিকিৎসা শিক্ষা আৰু গৱেষণা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যৰ চিকিৎসা মহাবিদ্যালয় সমূহত অধ্যাপক, সহযোগী অধ্যাপক আৰু সহকাৰী অধ্যাপকৰ মুঠ খালী পদ কিমান?

(খ) NMC ৰ মানদণ্ড অনুসৰি শিক্ষক আৰু আন্তঃগাঁথনিৰ অভাৱ থকা স্বত্বেও কিমানখন চিকিৎসা মহাবিদ্যালয়ত নতুন আসন বৃদ্ধি কৰা হৈছে?

*বিষয় ঃ* **বাওখুংগৰী LACত Mission Basundharaৰ অগ্ৰগতি।**

শ্ৰীৰূপম চন্দ্ৰ ৰয় ঃ

২২৫। মাননীয় ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

বাওখুংগৰী LACত Mission Basundharaৰ অধীনত প্ৰাপ্তি, নিষ্পত্তি আৰু অনিষ্পন্ন আবেদন সমূহৰ category-wise, Circle-wise আৰু present status সহ পূৰ্ণ তথ্য সদনত দাখিল কৰিব।

*Sub.* : **Flood damage report of Baghbar Revenue Circle for 2016-17, 2017-18, 2018-19 and 2019-20 etc.**

Shri SHERMAN ALI AHMED :

226. Will the Minister of Revenue & Disaster Management Department be pleased to state :

(a) Is it true that flood occurred during 2016-17, 2017-18, 2018-19 and 2019-20 in Baghbar Revenue Circle areas ? If yes, please furnish detailed flood damage report of each year.

(b) How many roads and household properties were damaged ? How many livestocks were lost ? Please furnish year-wise details.

(c) What amount of GR and RG was sanctioned ? Please furnish item-wise and year-wise details.

(d) As per reply of unstarred QN-12 dated 28-12-2020, Rs. 16,47,70,800 and Rs. 11,94,82,800 as RG for 8736 and 2429 flood affected families of Baghbar during 2019 and 2020 respectively were under process. What is the present status of sanction and disbursement ? Please furnish details.

(e) In view of said reply and erosion being notified as a state specific disaster and the provision in SDRF/NDRF guidelines for assistance upto 10% of SDRF fund for state specific disaster, why RG to 7552 families affected by erosion till 2020 are not yet paid ?

*বিষয় ঃ* অসমত জলবায়ু পৰিৱৰ্তন আৰু ইয়াৰ প্ৰভাৱ।

শ্ৰীৰেকিবুদ্দিন আহমেদ ঃ

২২৭। মাননীয় পৰিবেশ, বন আৰু জলবায়ু পৰিৱৰ্ত্তন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত জলবায়ু পৰিৱৰ্তনৰ প্ৰভাৱ কেনেদৰে পৰিছে, এই সমস্যা সমাধানৰ বাবে চৰকাৰে কি কি পদক্ষেপ লৈছে আৰু ইয়াৰ বাবে মহাকাশ প্ৰযুক্তিৰ সহায় লৈছে নেকি, বিতংকৈ জনাব।

(খ) জলবায়ু পৰিৱৰ্তনৰ বাবে অসমত বৰষুণৰ মাত্ৰা কেতিয়াবা অতি বেছি আৰু কেতিয়াবা অতি কম হয়। ২০১৬ চনৰ পৰা বৰ্তমানলৈ বৰষুণৰ স্বাভাৱিক আৰু অস্বাভাৱিক মাত্ৰাৰ ওপৰত জিলাভিত্তিক তুলনামূলক তথ্য দাখিল কৰিব।

(গ) জলবায়ু পৰিৱৰ্তনৰ বাবে অসমৰ চাহ আৰু অন্যান্য খেতিত বিৰূপ প্ৰভাৱ পৰিছে নেকি? এই বিষয়ে বিতংকৈ জনাব।

(ঘ) জলবায়ু পৰিৱৰ্তনৰ বাবে অসমৰ বন্য জীৱকুল কি কি সংকটৰ সন্মুখীন হৈছে, বিতংকৈ জনাব। ইয়াৰ বাবে কোনো বন্যপ্ৰাণীৰ অস্তিত্বলৈ ভাবুকি আহিছে নেকি জনাব।

(ঙ) জলবায়ু পৰিৱৰ্তনৰ বাবে অসমৰ মানুহৰ স্বাস্থ্য আৰু জীৱিকাত কি প্ৰভাৱ পৰিছে তাৰ ওপৰত প্ৰস্তুত কৰা প্ৰতিবেদনৰ প্ৰতিলিপি দাখিল কৰিব।

(চ) জলবায়ু পৰিৱৰ্তন ৰোধৰ বাবে চৰকাৰে এতিয়ালৈকে কি কি নীতি (Policy) লৈছে, সেয়া কেনেদৰে কাৰ্য্যকৰী কৰিছে, ২০১৬ চনৰ পৰা এতিয়ালৈকে এই বিষয়টোৰ বাবে বাজেটত ধাৰ্য্য কৰা পুঁজিৰ পৰিমাণ কিমান বিতংকৈ জনাব।

*বিষয় ঃ* বড়োলেণ্ডৰ আৰ্থিক নাটনি

মোঃ নুৰুল ইছলাম ঃ

২২৮। মাননীয় বড়োলেণ্ড কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অৰ্থনৈতিক সংকটৰ বাবে বি টি এ ডি কৰ্তৃপক্ষই আগন্তুক ছমাহৰ বাবে ইয়াৰ কাৰ্য্যবাহী সদস্য আৰু পৰিষদীয় সদস্যসকলৰ দৰমহা ৩০% কৰ্তন কৰাৰ সিদ্ধান্ত গ্ৰহণৰ বিষয়ে চৰকাৰ অৱগতনে? (উত্তৰ বিস্তৃত তথ্যসহ দিব।)

(খ) এই সংকটৰ জোৰা মাৰিবলৈ বি টি এ ডি কৰ্তৃপক্ষলৈ অৰ্থনৈতিক সাহাৰ্য্যৰ পৰিমাণ বৃদ্ধি কৰাৰ বিষয়ে চৰকাৰে বিবেচনা কৰিব নে? (উত্তৰ বিস্তৃত তথ্যসহ দিব।)

(গ) ৰাজ্যিক বাজেটৰ কমেও পাঁচ শতাংশ আৰু কেন্দ্ৰীয় বাজেটৰ পৰা অসমৰ বাবে অনুমোদিত ধনৰ কমেও দুই শতাংশ ধন বি টি এ ডি এলেকাৰ উন্নয়নৰ স্বাৰ্থত আবণ্টন দিয়াৰ বিশেষ পদক্ষেপ গ্ৰহণ কৰা হ'বনে? (উত্তৰ বিস্তৃত তথ্যসহ দিব।)

*বিষয় ঃ* আঁচনি সম্পৰ্কে

শ্ৰীজাকিৰ হুছেইন সিকদাৰ ঃ

২২৯। মাননীয় বড়োলেণ্ড কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা ৫ বছৰত বড়োলেণ্ড কল্যাণ বিভাগটোৰ জৰিয়তে কিমান পুঁজি আবণ্টন দিয়া হৈছে? বিত্তীয় বৰ্ষ হিচাপে পৃথকে পৃথকে তথ্য দিব।

(খ) যোৱা পাঁচ বছৰত এই বিভাগটোৰ জৰিয়তে ক'ত ক'ত আঁচনিৰ ধন ব্যয় কৰা হৈছে? বিত্তীয় বৰ্ষ হিচাপে পৃথকে পৃথকে তথ্য দিব।

*Sub.* : **Boat Clinic Services, Health Infrastructure in Char Areas.**

Md. MOHIBUR ROHMAN :

230. Will the Hon'ble Minister of Health & Family Welfare Department be pleased to state :

(a) The details of Boat Clinic services operating in South Salmara-Mankachar district including the number of Boat Clinics, areas covered and beneficiaries served during the last 10 years.

(b) Will the Govt. furnish the present status of health facilities in the char (riverine) areas of Mankachar Constituency, including Sub- Centres, PHCs and other health institutions.

(c) What is the number of doctors, nurses, ANMs, ASHA workers and other healthcare personnel currently deployed in the char areas of Mankachar Constituency ?

(d) How many 108 Boat Ambulances have been deployed in South Salmara Mankachar district and Mankachar Constituency along with their operational status and areas served.

*বিষয় ঃ* **ডিগবৈ সমষ্টিৰ অন্তৰ্গত বুঢ়ীদিহিং মৌজাত দুখন উপ-স্বাস্থ্যকেন্দ্ৰ কাৰ্য্যক্ষম কৰাৰ সম্পৰ্কে।**

শ্ৰীসুৰেণ ফুকন ঃ

২৩১। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ডিগবৈ সমষ্টিৰ অন্তৰ্গত বুঢ়ীদিহিং মৌজাত নৱনিৰ্মিত দুখন উপ-স্বাস্থ্যকেন্দ্ৰ ক্ৰমে চিকৰাজান উপ-স্বাস্থ্যকেন্দ্ৰ আৰু কৈলাশপুৰ উপ-স্বাস্থ্যকেন্দ্ৰত বৰ্তমানো চিকিৎসক আৰু কৰ্মচাৰীৰ অভাৱত জনসাধাৰণৰ বাবে কাৰ্য্যক্ষম হৈ উঠা নাই, এইক্ষেত্ৰত উক্ত উপ-স্বাস্থ্যকেন্দ্ৰ দুটাত চিকিৎসক আৰু কৰ্মচাৰী নিয়োগৰ ক্ষেত্ৰত চৰকাৰে কিবা ব্যৱস্থা হাতত লৈছে নেকি?

*বিষয় ঃ* **১১৯ নং সোনাই বিধান সভা সমষ্টি সম্পৰ্কে।**

শ্ৰীআমিনুল হক লস্কৰ ঃ

২৩২। মাননীয় রাজস্ব ও দুর্যোগ ব্যবস্থাপনা বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) সোনাই বিধান সভায় কতটুকু সংরক্ষিত গো-চারণ ভুমি (VGR Land) আছে? এবং কোথায় আছে?

(খ) এর মধ্যে কতটুকু সরকারের দখলে আছে? যতটুকু সংরক্ষিত গো-চারণ ভুমি বেদখল হয়েছে এর বিরুদ্ধে সরকার কি পদক্ষেপ নিয়েছেন?

(গ) সোনাই বিধা সভার অন্তর্গত সোনাই মিউনিসিপালিটি এলেকার ৭ নং ওয়ার্ডের অধিনস্ত উত্তর মোহনপুরে কতটুকু সংরক্ষিত গো-চারণ ভূমি (VGR) আছে? এর মধ্যে কতটুকু সরকারের দখলে রয়েছে?

*বিষয় ঃ* **Science Centre সম্পৰ্কে**

শ্ৰীআবুল কালাম ৰশিদ আলম ঃ

২৩৩। মাননীয় বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যা আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ কোন কোন জিলাত Science Centre হ'ব আৰু কোন কোন জিলাত Science Centre ৰ কাম আৰম্ভ হৈছে আৰু কোন কোন জিলাত বাকী আছে?

(খ) কাম আৰম্ভ হোৱা জিলাসমূহৰ কিমান শতাংশ কাম সম্পূৰ্ণ হৈছে আৰু কিমান শতাংশ বাকী আছে? বাকী থকা কামখিনি কিমান দিনৰ ভিতৰত সম্পূৰ্ণ কৰিব?

(গ) কোন কামৰ বিপৰীতে কিমান টকা Payment দিয়া হৈছে আৰু কিমান বাকী আছে? বাকী থকা Payment খিনি কেতিয়া আদায় দিব? তথ্য সহকাৰে জনাব।

*বিষয় ঃ* **আন্তঃৰাজ্যিক বাছ আস্থানৰ নিৰ্মাণৰ সন্দৰ্ভত।**

শ্ৰীপৃথিৰাজ ৰাভা ঃ

২৩৪। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) তেজপুৰ চহৰত অসম চৰকাৰৰ পৰিবহন বিভাগে আন্তঃৰাজ্যিক বাছ আস্থান নিৰ্মাণ কৰি থকা কেইবা বছৰো হ'ল, কিন্তু এতিয়ালৈ নিৰ্মাণৰ কাম শেষ নোহোৱাৰ কাৰণ জনাবনে?

(খ) কেতিয়ালৈ ইয়াৰ শুভাৰম্ভ কৰিবলৈ বিভাগে পৰিকল্পনা কৰিছে?

*বিষয় ঃ* **বানপানী আৰু দুৰ্য্যোগ প্ৰশমনৰ বাবে আৱণ্টিত পুঁজিৰ সম্পৰ্কে।**

মোঃ আশ্ৰাফুল ইছলাম শ্বেখ ঃ

২৩৫। মাননীয় ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চলিত বৰ্ষত বানপানী আৰু দুৰ্য্যোগ প্ৰশমনৰ বাবে আৱণ্টিত পুঁজিৰ ভিতৰত জিলা ভিত্তিকভাৱে কিমান ধন মুকলি কৰি দিয়া হৈছে আৰু ইয়াৰ কিমান শতাংশ ব্যৱহাৰ কৰা হৈছে?

(খ) যদি হোৱা নাই, তথ্য সহকাৰে জনাব।

*বিষয় ঃ* **বজালী জিলাত চৰকাৰী বাছসেৱা সম্প্ৰসাৰণ।**

শ্ৰীধৰ্মেশ্বৰ ৰয় ঃ

২৩৬। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বজালী জিলাত চৰকাৰী বাছসেৱা সম্প্ৰসাৰণৰ কোনো পৰিকল্পনা আছেনে? জনাব।

(খ) পথ দুৰ্ঘটনা প্ৰৱণ অঞ্চলসমূহত সুৰক্ষা ব্যৱস্থা বৃদ্ধিৰ বাবে কি পদক্ষেপ লোৱা হৈছে? জনাব।

*বিষয় ঃ* **প্ৰতিষ্ঠান বা ব্যক্তিৰ নামত চৰকাৰী মাটি আবণ্টন।**

শ্ৰীমজিবুৰ ৰহমান ঃ

২৩৭। মাননীয় ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

২০২১ বিত্তীয় বৰ্ষৰ পৰা বৰ্তমানলৈকে দৰং জিলাৰ অন্তৰ্গত ৰাজহ চক্ৰসমূহৰ অধীনত কিমান বিঘা চৰকাৰী মাটি কোন কোন প্ৰতিষ্ঠান বা ব্যক্তিৰ নামত আবণ্টন, পট্টা দিয়া হৈছে আৰু কিমান বিঘা চৰকাৰী মাটি আছে? ৰাজহ চক্ৰ অনুযায়ী বিস্তাৰিত তথ্য সদনৰ মেজত দাখিল কৰিব।

*বিষয় ঃ* **চিকিৎসক আৰু নাৰ্চৰ খালী পদৰ সংখ্যা**

ড° তপন দাস ঃ

২৩৮। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ডিমৰীয়া সমষ্টিৰ চৰকাৰী চিকিৎসালয় আৰু প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ সমূহত চিকিৎসক আৰু নাৰ্চৰ কিমানটা পদ খালী আছে?

(খ) সমষ্টিত ২৪ ঘণ্টীয়া জৰুৰীকালীন স্বাস্থ্যসেৱা সম্প্ৰসাৰণৰ বাবে কি পদক্ষেপ গ্ৰহণ কৰা হৈছে?

(গ) মাতৃ আৰু শিশু স্বাস্থ্যসেৱা উন্নত কৰাৰ বাবে কি নতুন আঁচনি গ্ৰহণ কৰা হৈছে?

(ঘ) জিলা চিকিৎসালয় সোনাপুৰৰ বিভাগীয় চিকিৎসক নাৰ্চ নিযুক্তিৰ ব্যৱস্থা কৰিব নেকি?

*বিষয় ঃ* **উচ্ছেদ সন্দৰ্ভত**

শ্ৰীওৱাজেদ আলী চৌধুৰী ঃ

২৩৯। মাননীয় ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত ২০১৬ চনৰ পৰা বৰ্তমানলৈ কোন কোন স্থান/ ঠাইত উচ্ছেদ কৰা হৈছে? এই উচ্ছেদ কাৰ্য্য সম্পাদন কৰোতে কোন স্থানত কিমান পৰিয়াল / জনসংখ্যা উচ্ছেদিত হৈছে? জিলা ভিত্তিত স্থান আৰু উচ্ছেদিত পৰিয়াল/ জনসংখ্যাৰ বিতং তথ্য সদনত দাখিল কৰিব।

(খ) উক্ত উচ্ছেদৰ ফলত কিমান ভূমি বেদখলমুক্ত হৈছে? স্থান, ভূমিৰ প্ৰকাৰ (চৰকাৰী খাচ, পি জি আৰ/ ভি জি আৰ, ফৰেষ্ট, প্ৰস্তাৱিত ফৰেষ্ট আদি) উল্লেখ কৰি জিলা ভিত্তিত তথ্য দিব।

(গ) উচ্ছেদিত পৰিয়ালৰ কিমান সংখ্যক পৰিয়ালক পুনৰসংস্থাপন দিয়া হৈছে আৰু কিমান পৰিমাণৰ ভূমি আৰু আৰ্থিক অনুদান আগবঢ়োৱা হৈছে? জিলা ভিত্তিত সংস্থাপিত কৰা স্থানৰ নাম সহ বিতং তথ্য দিব।

(ঘ) সংস্থাপিত নোহোৱা পৰিয়াল সমূহক কেতিয়া সংস্থাপনৰ ব্যৱস্থা কৰা হ'ব? চৰকাৰৰ পৰিকল্পনাৰ বিষয়ে সদনত জনাব।

*বিষয় ঃ* **ধুবুৰী মেডিকেল কলেজ আৰু হাস্পাতালৰ সমস্যা।**

শ্ৰীমতী বেবী বেগম ঃ

২৪০। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰৰ অধীনত বৰ্তমান কিমানখন মেডিকেল কলেজ আৰু হাস্পাতাল আছে? এই প্ৰতিষ্ঠান কেইটাত অনুমোদিত পদৰ মুঠ সংখ্যা কিমান? ইয়াৰে কিমানটা পদ সম্প্ৰতি খালী হৈ আছে? (প্ৰতিষ্ঠানভিত্তিক তথা বিভাগ অনুযায়ী অনুমোদিত পদৰ সংখ্যা, খালী হৈ থকা পদৰ সংখ্যা, বিভাগ ভিত্তিক কৰ্মৰত অধ্যাপক, সহযোগী অধ্যাপক, চিকিৎসক আৰু কৰ্মীৰ বিতং তালিকা দাখিল কৰিব।)

(খ) মেডিকেল কলেজসমূহত খালী হৈ থকা অধ্যাপক, সহযোগী অধ্যাপকসহ বিভিন্ন পৰ্য্যায়ৰ চিকিৎসক আৰু কৰ্মচাৰীৰ অভাৱত চিকিৎসা সেৱা আৰু শিক্ষাদানৰ ক্ষেত্ৰত সৃষ্টি হোৱা সমস্যাৰ বিষয়ে চৰকাৰ অৱগত নে? যদি হয়, এই সমস্যা কিমানদিনৰ ভিতৰত সমাধান কৰা হ'ব? (বিস্তৃত তথ্যসহ দিব।)

(গ) ধুবুৰী মেডিকেল কলেজসহ ৰাজ্যৰ বিভিন্ন মেডিকেল কলেজত ৰোগীৰ ৰোগ নিৰ্ণয়ৰ বাবে কি কি পৰীক্ষাৰ ব্যৱস্থা আছে? এই পৰীক্ষাৰ মাচুল সকলো মেডিকেল কলেজত সমতাপূৰ্ণ হয় নে? যদি নহয়, ইয়াৰ কাৰণ কি? (মেডিকেল কলেজ ভিত্তিক বিভিন্ন পৰীক্ষা-নিৰীক্ষাৰ মাচুলৰ সম্পূৰ্ণ তালিকা দাখিল কৰিব।)

(ঘ) অসমৰ মেডিকেল কলেজ আৰু বিভিন্ন চৰকাৰী চিকিৎসালয়ত ৰোগীৰ চিকিৎসাৰ বাবে ১০০% বিনামূলীয়া ঔষধ যোগান ধৰা আৰু পৰীক্ষা-নিৰীক্ষাৰ মাচুল ৰেহাই দিয়াৰ ব্যৱস্থা চৰকাৰে কৰিব নেকি? জনাব।

*বিষয়ঃ* **শিলচর মেডিকেল কলেজ ও IMR/ MMR Ratio সম্পর্কিত।**

শ্রীকমলাক্ষ দে পুরকায়স্থ ঃ

২৪১। মাননীয় স্বাস্থ্য ও পরিয়াল কল্যাণ বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) শিলচর মেডিকেল কলেজ হাস্পাতালে বর্তমানে কি কি সুযোগ সুবিধা আছে? বিস্তারিত তথ্য সদনে প্রকাশ করার জন্য অনুরোধ করছি।

(খ) আসামের কোন কোন মেডিকেল কলেজে প্রতিদিন কতজন রোগী দেখা হয়? তাহার তথ্য সদনে প্রকাশ করার জন্য অনুরোধ করছি।

(গ) আসামের মেডিকেল কলেজে IMR/ MMR কোন Hospital এ কত Ratio তাহার তথ্য সদনে প্রকাশ করার জন্য অনুরোধ করছি।

(ঘ) SMCH এর নতুন ভবনের Opening কবে হবে? তাহার তথ্য সদনে প্রকাশ করার জন্য অনুরোধ করছি।

(ঙ) মেডিকেল কলেজে Society এর Under এ যারা কর্মরত তাদের বেতনের সমস্যার ব্যাপারে সরকার অবগত কি? তাদের চাকুরী স্থায়ীকরণ বা বেতন সমস্যা সমাধানের ব্যাপারে সরকার কি ধরণের পরিকল্পনা গ্রহণ করবে? তাহার তথ্য সদনে প্রকাশ করার জন্য অনুরোধ করছি।

(চ) কাটিগড়া বিধানসভা সমষ্টির কতগুলি স্বাস্থ্যকেন্দ্র নিজস্ব সরকারি জমির উপর আছে এবং কতগুলি স্বাস্থ্যকেন্দ্র Donation Land এর উপর আছে? দাতার নামসহ বিস্তারিত তথ্য তথ্য সদনে প্রকাশ করার জন্য অনুরোধ করছি।

*Sub.* : **New PHC & Model Hospital Staff.**

Shri THANESWAR BASUMATARY :

242. Will the Minister of Health & Family Welfare Department be pleased to state :

(a) Is the Government aware that the newly established PHCs and Model Hospitals are not functioning properly due to lack of sufficient numbers of Doctors, Nurses and Paramedical Staffs ?

(b) What measures are taken by the Government to make these institutions functionalise ?

*বিষয় ঃ* **আধুনিক তাৰকা গৃহ স্থাপনৰ সন্দৰ্ভত**

শ্ৰীদীপক কুমাৰ দাস ঃ

২৪৩। মাননীয় বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যা আৰু জলবায়ু পৰিৱৰ্ত্তন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

বিজ্ঞানমনস্কতা মহাকাশ বিজ্ঞান আৰু জ্যোতিবিজ্ঞানৰ প্ৰতি নতুন প্ৰজন্মক অধিক আকৰ্ষিত কৰাৰ লক্ষ্যৰে বৰপেটা সমষ্টিত এখন আধুনিক তাৰকা গৃহ স্থাপনৰ কোনো পৰিকল্পনা চৰকাৰৰ আছে নেকি? জনাব।

*বিষয় ঃ* **নগাঁও মহাবিদ্যালয় চিকিৎসা সন্দৰ্ভত**

মোঃ নুৰুল হুদা ঃ

২৪৪। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) নগাঁও চিকিৎসা মহাবিদ্যালয়ত কিমানজন চিকিৎসক আৰু কি কি বিভাগৰ চিকিৎসক আছে? MRI মেচিনকে আদি কৰি এখন মেডিকেল কলেজ হস্পিতালত থাকিবলগীয়া পৰীক্ষাৰ যন্ত্ৰ-পাতি উন্নতমানৰ পৰীক্ষাগাৰ আছেনে? বিতংকৈ জনাব।

(খ) বৃক্ক ৰোগ নিৰাময়ৰ ডায়েলেছিচ কৰা বিচনা কিমান আছে? বিতংকৈ জনাব।

(গ) নগাঁও জিলাৰ দগাঁও আদৰ্শ চিকিৎসালয়ত কিমান চিকিৎসক, কোন কোন বিভাগৰ চিকিৎসক আৰু চিকিৎসাৰ বাবে প্ৰয়োজনীয় আচবাব, পৰীক্ষাগাৰ, যন্ত্ৰ-পাতি আদি আছেনে? তথ্য সহ তালিকা দাখিল কৰিব।

*বিষয় ঃ* **ASTC বাছ সেৱা সম্পৰ্কে**

শ্ৰীহিমাংশু শেখৰ বৈশ্য ঃ

২৪৫। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) পলাশবাৰী সমষ্টিৰ অন্তৰ্গত ৰাণী চ'কৰ পৰা তিনিআলি, মিৰ্জা চাৰিআলি হৈ গুৱাহাটী চিকিৎসা মহাবিদ্যালয়খনলৈ এখন ASTC বাছ সেৱা আৰম্ভ কৰিবলৈ পৰিবহন বিভাগে এখন বাছৰ ব্যৱস্থা গ্ৰহণ কৰিব নেকি? সদনত জনাব।

(খ) দক্ষিণ কামৰূপৰ উকিয়াম চ'কৰ পৰা ছয়গাঁও হৈ গুৱাহাটী চিকিৎসা মহাবিদ্যালয়লৈ পৰিবহন বিভাগে এখন ASTC বাছৰ ব্যৱস্থা গ্ৰহণ কৰিব নেকি? সদনত জনাব।

*বিষয় ঃ* **স্বাস্থ্য অনুষ্ঠান সন্দৰ্ভত**

শ্ৰীআব্দুৰ ৰহিম আহমেদ ঃ

২৪৬। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ নিয়ম মতে কিমান জনসংখ্যাৰ সাপেক্ষে উপ-স্বাস্থ্যকেন্দ্ৰ, ৰাজ্যিক চিকিৎসালয় (State Dispensary), ক্ষুদ্ৰ প্ৰাথমিক চিকিৎসালয় (MPHC) প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ (PHC) সমূহীয়া স্বাস্থ্যকেন্দ্ৰ (CHC) আদিৰ প্ৰয়োজন? জনসংখ্যা অনুপাতে উক্ত স্বাস্থ্য অনুষ্ঠান (Health unit) সমূহ কোন কোন সমষ্টিত পৰিপূৰ্ণ ভাৱে আছে আৰু কোন কোন সমষ্টিত নাই? সবিশেষ তালিকা সমষ্টি ভিত্তিত পৃথকে পৃথকে সদনত দাখিল কৰিব।

(খ) অসমৰ প্ৰতিটো বিধান সভা সমষ্টিত জনসংখ্যা অনুপাতে কোন কোন স্বাস্থ্য অনুষ্ঠান উন্নীতকৰণ কৰিবলগীয়া আছে? তালিকা সমষ্টি ভিত্তিত পৃথকে পৃথকে দাখিল কৰিব।

(গ) অসমৰ প্ৰতিটো সমষ্টিত কিমানখন স্বাস্থ্য অনুষ্ঠানত আধুনিক প্ৰয়োজনীয় আন্তঃগাঁথনি আৰু যন্ত্ৰপাতি উপলব্ধ আছে আৰু কিমানখনত নাই তাৰ নামসহ তালিকা সদনত দাখিল কৰিব।

(ঘ) ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ নিয়ম অনুসৰি অসমৰ প্ৰতিখন স্বাস্থ্য অনুষ্ঠানত প্ৰয়োজনীয় চিকিৎসক, নাৰ্চ, স্বাস্থ্য কৰ্মী আৰু অন্যান্য বিষয়া কৰ্মচাৰী উপলব্ধ আছেনে?

(ঙ) কোন কোন স্বাস্থ্য অনুষ্ঠানত নিয়ম অনুসাৰে পৰ্য্যাপ্ত পৰিমাণে চিকিৎসক, নাৰ্চ, স্বাস্থ্য বিষয়া কৰ্মচাৰী আছে আৰু কোন কোন অনুষ্ঠানত নাই তাৰ সবিশেষ তালিকা সমষ্টিভিত্তিত পৃথকে দাখিল কৰিব।

*বিষয় ঃ* **শিৱসাগৰ অসামৰিক চিকিৎসালয়ৰ উন্নতি সম্পৰ্কে।**

শ্ৰীঅখিল গগৈ ঃ

২৪৭। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) শিৱসাগৰৰ জয়সাগৰস্থিত অসামৰিক চিকিৎসালয়খনৰ আন্তঃগাঁথনিৰ উন্নয়ন, উৰলি যোৱা মুল ভৱন পুনঃনিৰ্মাণ, বিপজ্জনক পুৰণি বিদ্যুৎ সংযোগ ব্যৱস্থা সলনি, জহি-খহি যোৱা পৰীক্ষাগাৰ (Laboratory) সংস্কাৰ, এজাক বৰষুণতে চৌহদ বুৰ যোৱা সমস্যা ৰুধিবলৈ নলা-

নৰ্দমা নিৰ্মাণ আৰু আওপুৰণি জেনেৰেটৰ সলনি কৰাৰ বাবে চৰকাৰৰ কিবা জৰুৰী পৰিকল্পনা আছেনে?

(খ) চিকিৎসক, ৰেডিঅ'গ্ৰাফাৰৰ ৬ টা খালী পদ, নাৰ্ছ, লেবৰেটৰী টেকনিচিয়ান আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীৰ পদ সমূহ কেতিয়া পূৰণ কৰা হ'ব?

(গ) উক্ত চিকিৎসালয়খনত এটা MRI মেচিন কেতিয়া স্থাপন কৰা হ'ব? চিটি স্কেন (CT Scan) আৰু লেবৰেটৰী সেৱা 'আউটচ'ৰ্চ' (Outsource) কৰি চিকিৎসালয়খনৰ নিজা স্থায়ী ব্যৱস্থা কেতিয়াৰ পৰা কাৰ্য্যক্ষম হ'ব?

*বিষয়ঃ* **পৰিবহন বিভাগৰ যাতায়ত ব্যৱস্থা সন্দৰ্ভত।**

শ্ৰীমেহবুব মোক্তাৰ ঃ

২৪৮। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ধিং সমষ্টিৰ পৰা বিশেষকৈ ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰী সকলৰ সুবিধাৰ্থে ধিং-বটদ্ৰৱা-নগাঁও আৰু ধিং-গুৱাহাটী পথত নতুন ই-বাছ (E-Bus) বা অতিৰিক্ত বাছসেৱা আৰম্ভ কৰাৰ কিবা পৰিকল্পনা চৰকাৰৰ আছে নেকি?

(খ) ধিঙত থকা পুৰণি বাছ আস্থানটোৰ যাত্ৰী সকলৰ বাবে জিৰণি কোঠা, শৌচাগাৰ আৰু খোৱাপানীৰ ব্যৱস্থাৰ বাবে বিভাগে কিবা আঁচনি গ্ৰহণ কৰিছে নেকি?

(গ) ধিং সমষ্টিৰ ব্ৰহ্মপুত্ৰ নদীৰ যাতায়ত ব্যৱস্থাটোক সুৰক্ষিত কৰিবলৈ আভ্যন্তৰীণ জল পৰিবহন (IWT) বিভাগৰ তৰফৰ পৰা কিমানখন চৰকাৰী ফেৰী, নাওঁ যোগান ধৰা হৈছে আৰু যাত্ৰীসকলৰ সুৰক্ষা দিবলৈ লাইফ জেকেট আদিকে ধৰি সকলো নিৰ্দেশনা বলবৎ কৰা হৈছেনে?

*Sub.*: **Co-districts**

M. BADRUDDIN AJMAL :

249. Will the Minister of General Administation Department be pleased to state :

(a) What is the current status of the State Government's ambitions initiative to form 'Co-districts' across the state based on individual Assembly Constituencies ?

(b) Kindly furnish the detailed information regarding the number of 'Co-districts' formed in the state, the Assembly Constituencies included in them and whether their operations have commenced ?

(c) Details of the Assembly Constituencies in the state where the proposed 'Co-districts' have not yet been formed?

(d) Kindly furnish detailed information regarding the current progress of the initiative to form a proposed 'Co-district' in the Binnakandi Assembly Constituency ?

*বিষয়ঃ* **মেডিকেল কলেজ আৰু নিৰ্মাণ কৰি থকা হস্পিতাল।**

শ্ৰীৰেকিবুদ্দিন আহমেদ ঃ

২৫০। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসমত বৰ্তমান কিমান মেডিকেল কলেজ আৰু হস্পিতাল আছে। সেইবোৰ কেতিয়া স্থাপন কৰা হৈছিল? প্ৰত্যেক মেডিকেল কলেজ আৰু হস্পিতালত শিক্ষাৰ্থীৰ বাবে কিমান আসন আছে, কি কি বিভাগ আছে, কিমান পদ খালী হৈ আছে তাৰ পৃথক তালিকা দাখিল কৰিব।

(খ) অসমত নতুনকৈ কিমান মেডিকেল কলেজ আৰু হস্পিতাল নিৰ্মাণ কৰি থকা হৈছে, সেইবোৰ কেতিয়া মুকলি হ'ব, শিক্ষাৰ্থীৰ বাবে কিমান আসন থাকিব জনাব।

(গ) অসমত বিনামূলীয়া স্বাস্থ্য সেৱাৰ বাবে ৰাজ্য বা কেন্দ্ৰীয় চৰকাৰৰ কি কি স্বাস্থ্য কাৰ্ড কাৰ্য্যক্ষম হৈ আছে, সেইবোৰত কি কি সেৱা উপলব্ধ, কিমান লোক উপকৃত হৈছে জনাব। শেহতীয়াকৈ আয়ুষ্মান কাৰ্ডৰ কি কি সুবিধা কৰ্তন কৰা হৈছে বিতংকৈ জনাব।

(ঘ) অসমৰ গ্ৰামাঞ্চলত থকা চিকিৎসালয়, স্বাস্থ্য কেন্দ্ৰৰ সম্পূৰ্ণ তালিকা আৰু সেইবোৰত কিমান পদ খালী হৈ আছে, কি কি মেচিন বিকল হৈ আছে বিতংকৈ জনাব।

(ঙ) অসমত কৰ্কট ৰোগৰ চিকিৎসাৰ বাবে কিমান চিকিৎসালয় আছে, সেইবোৰ কোনে, কেনেদৰে পৰিচালনা কৰি আছে জনাব। লগতে কৰ্কট ৰোগী সকলে বিভিন্ন ৰোগৰ চিকিৎসা আৰু পৰীক্ষাৰ বাবে কোনটো শিতানত কিমান টকা মাচুল (সাধাৰণ শ্ৰেণীৰ ৰোগী আৰু দুখীয়া ৰোগীৰ পৃথক তালিকা) দিব লাগে তাৰ তথ্য বিতংকৈ দাখিল কৰিব।

---

Assam Government Press 149/26-LAQ-600-04-07-2026